**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-07-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

উজনি অসম ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চাৰিদিন ডিব্ৰুগড়ত কটাই জিলাখনৰ পৰা বিভিন্ন চৰকাৰী কাম-কাজ সম্পাদন কৰিব। কালি জিলাখনত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী সচিবালয়ত, সোণাৰি, নাওবৈচা আৰু টিংখাং বিধানসভা সমষ্টিৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰিব। কাইলৈ তেওঁ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পি এম ঊষা আঁচনি আৰু মুখ্যমন্ত্ৰীৰ বিশেষ গ্ৰাণ্টৰ অধীনত দুটা প্ৰস্তাৱিত প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ পাছত তেওঁ অসম চিকিৎসা মহাবিদ্যালয়ত অধ্যাপক আৱাসগৃহ আৰু ছাত্ৰ আৱাসৰ আধাৰশিলা স্থাপনত অংশ ল'ব। বিয়লি পি এম শ্ৰী নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে নাহৰকটীয়া সমজিলা আয়ুক্তৰ কাৰ্যালয়, নাহৰকটীয়া হকী ষ্টেডিয়াম, আই টি আইত স্থাপন হ'বলগীয়া উৎকৰ্ষতা কেন্দ্ৰ আৰু নামৰূপ-নাহৰকটীয়া পথ উৰণ সেতুৰ আধাৰশিলা স্থাপন কৰিব। পৰহিলৈ পুৱা মুখ্যমন্ত্ৰীৰ সচিবালয়ত ৰাজ্যৰ মুখ্য সচিব, অতিৰিক্ত মুখ্য সচিবৰ কাৰ্যালয়, মন্ত্ৰীসকলৰ কাৰ্যালয় আৰু সন্মিলন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰিব। সেইদিনা তেওঁ মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ পৰ্যালোচনা বৈঠকতো অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীৰ এই চাৰিদিনীয়া ডিব্ৰুগড় ভ্ৰমণকালত ডিব্ৰুগড় জিলা প্ৰশাসনে মানৱবিহীন বিমান আৰু ড্ৰোন আদি উৰুওৱাত নিষেধাজ্ঞা জাৰি কৰিছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত উচ্ছেদ অব্যাহত থাকিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি তিনিচুকীয়াত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এটা নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰে ভূমি দখলমুক্ত কৰা হ'ব। ৰাজ্যত প্ৰায় ২৯ লাখ বিঘা ভূমি বেদখলৰ কবলত পৰিছে বুলি তেওঁ মন্তব্য কৰে। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাতো সন্দেহজনক লোকে ভূমি দখল কৰি থকাৰ তথ্যও লাভ কৰা বুলি তেওঁ জানিবলৈ দিয়ে। তিনিচুকীয়া জিলাৰ শদিয়াৰ চপাখোৱাৰ বুঢ়া-বুঢ়ী শালৰ আন্তঃগাঁথনি উন্নত কৰাৰ বাবে ৯ কোটি টকা ব্যয়সাপেক্ষে প্ৰকল্প ৰূপায়ণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। কালি তিনিচুকীয়া ভ্ৰমণ কৰা মুখ্যমন্ত্ৰীগৰাকীয়ে বুঢ়া-বুঢ়ীৰ শালত আয়োজিত এটা ধৰ্মীয় অনুষ্ঠানত অংশ লোৱাৰ সময়ত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ২১ বিঘা ভূমি সামৰি লোকনিৰ্মাণ বিভাগে এই প্ৰকল্প ৰূপায়ণ কৰিব। অহা এবছৰৰ ভিতৰত এই কাম সম্পন্ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। শদিয়া ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰীক মন্ত্ৰী ৰূপেশ গোৱালা, বিধায়ক বলিন চেতীয়া, চুৰেণ ফুকনকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতাই সংগ দিয়ে।

০০০০০০

ধেমাজি জিলা গ্ৰামোন্নয়ন অভিকৰণ কাৰ্যালয়ত কালি অন্তৰ্বৰ্তীকালীন মিচিং স্বায়ত্ত শাসিত পৰিষদৰ শপত গ্ৰহণ অনুষ্ঠিত হয়। ৩৪ জনীয়া সমিতিখনৰ সদস্যসকলক কালি জিলাখনৰ আয়ুক্ত ৰাহুল সুৰেশ জাভিৰে শপত

গ্ৰহণ কৰোৱায়। উল্লেখযোগ্য যে মিচিং স্বায়ত্ত শাসিত পৰিষদৰ সাধাৰণ পৰিষদৰ বৰ্ধিত কাৰ্যকাল যোৱা ১০ ফেব্ৰুৱাৰীত অন্ত পৰে। সংশোধিত স্বায়ত্ত শাসিত পৰিষদ আইন, ১৯৯৫ৰ সংশ্লিষ্ট ধাৰা অনুসৰি সাধাৰণ পৰিষদৰ নিৰ্বাচন নোহোৱা পৰ্যন্ত ৰাজ্যপালে পৰিষদক অন্তৰ্বৰ্তীকালীন স্বায়ত্ত শাসিত পৰিষদ গঠনৰ নিৰ্দেশ দিয়ে। ধেমাজি, লখিমপুৰ আৰু মাজুলীৰ সদস্যসকলৰ লগতে ধেমাজিৰ বিধায়ক তথা মন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়ক ভূবন পেগু, নৱ কুমাৰ দলে আৰু ভূবন গামক লৈ ৩৪ জনীয়া সমিতিখন গঠন কৰা হয়। কালি অন্তৰ্বৰ্তীকালীন পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে পৰমানন্দ চায়েংগিয়াই শপত গ্ৰহণ কৰে।

০০০০০০

উৰিয়ামঘাট সীমান্তৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত উচ্ছেদ অভিযান চলোৱা সন্দৰ্ভত সৰুপথাৰ আৰৱৰ্ত ভৱনত কালি অসম আৰু নাগালেণ্ডৰ তিনিখন জিলাৰ শীৰ্ষ বিষয়াসকলৰ মাজত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত নাগালেণ্ডৰ নিউলেণ্ড আৰু উখা জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, চি আৰ পি এফৰ কামাণ্ডৰ আৰু সীমান্ত দণ্ডাধীশে অংশগ্ৰহণ কৰে। অসমৰ হৈ গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্ত, আৰক্ষী অধীক্ষক ৰাজেন সিঙৰ লগতে সৰুপথাৰ সমজিলাৰ সীমান্ত দণ্ডাধীশ আৰু বন বিভাগৰ শীৰ্ষ বিষয়াসকলে এই বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত ৰেংমা বনাঞ্চলৰ উৰিয়ামঘাটত চলিবলগীয়া উচ্ছেদ অভিযানত নাগালেণ্ডৰ নিউলেণ্ড আৰু উখা জিলা প্ৰশাসনে সম্পূৰ্ণ সহযোগিতা আগবঢ়াব বুলি প্ৰকাশ কৰিছে।

০০০০০০

যোৰহাট জিলাৰ তিতাবৰ কৃষি মহকুমাৰ দহোতীয়া কৃষি চক্ৰৰ চুভিৰ চেঙেলী চেতিয়া গাঁৱত কালি ৰাষ্ট্ৰীয় খোৱা তেল তৈল খেজুৰ অভিযানৰ অধীনত ব্যাপক ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে প্ৰায় ৩ বিঘা কৃষিভূমিত আনুষ্ঠানিকভাৱে তৈল খেজুৰৰ পুলি ৰোপণ কৰাৰ লগতে সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত তৈল খেজুৰৰ খেতিৰ জৰিয়তে কৃষক ৰাইজ কিদৰে লাভৱান হ'ব, সেই বিষয়ে জিলা কৃষি বিষয়া দেৱজিৎ দত্তই ব্যাখ্যা আগবঢ়ায়।

০০০০০০

সমৰ্থৰ উদ্যোগত নামনি মাজুলীৰ আদি এলেঙী সত্ৰত বস্ত্ৰশিল্পৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় বস্ত্ৰ আৰু হস্ততাঁত মন্ত্ৰালয়ৰ অধীনত অনুষ্ঠিত এই প্ৰশিক্ষণ শিবিৰ মাজুলীৰ বিভিন্ন অঞ্চলৰ মহিলাসকলে অংশগ্ৰহণ কৰে। প্ৰশিক্ষণ শিবিৰত গুৱাহাটীৰ বয়ন সেৱা কেন্দ্ৰৰ সহযোগত সূতাৰ প্ৰাকৃতিক ৰং আৰু কৃত্ৰিম ৰাসায়নিক ৰং ব্যৱহাৰৰ প্ৰশিক্ষণ দিয়া হয়।

০০০০০০

যোৰহাট জিলাৰ তিতাবৰ চাৰিআলিত হোৱা এটা পথ দুৰ্ঘটনাত কালি এজন লোক নিহত হয়। নিহত লোকজনক তিতাবৰৰ বিবিজানৰ  পুতুল মানকি বুলি জানিব পৰা গৈছে।

০০০০০০

সমাপ্ত